Total No. of Printed Pages—3

**6 SEM TDC ASMH (CBCS) C 13**

**2022**

( June/July )

ASSAMESE

( Core )

Paper : C–13

**( Assamese Prose )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) কুল শইকীয়াৰ কোনখন গল্পসংকলনে মুনীন বৰকটকী বঁটা লাভ কৰিছিল?

(খ) সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি?

(গ) ৰজনীকান্ত বৰদলৈৰ প্ৰথম উপন্যাসখনৰ নাম কি?

(ঘ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(ঙ) অসমীয়া সাহিত্যৰ প্ৰথম আত্মজীৱনীখনৰ নাম লিখাঁ।

(চ) হেম বৰুৱাৰ এখন ভ্ৰমণ বিষয়ক গ্ৰন্থৰ নাম লিখাঁ।

(ছ) ইন্দিৰা মিৰিয়ে কোনখন বিশ্ববিদ্যালয়ত উচ্চশিক্ষা লাভ কৰিছিল?

(জ) 'অপাৰেচন ৰেডিঅ' ৰাইনো' বুলিলে কি বুজা?

২। (ক) সৌৰভ কুমাৰ চলিহাৰ 'এহাত ডাবা' গল্পটোৰ বিষয় আৰু কলা-কৌশল সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১৫

*অথবা*

(খ) ঐন্দ্ৰজালিক ৰূপকথা আৰু কথোপকথনৰ মাজেৰে পূৰবী বৰমুদৈয়ে 'বুঢ়ী আইৰ সাধু' গল্পটোত অসমীয়া সমাজৰ এটি গৌৰৱময় ঐতিহ্যক কিদৰে প্ৰকাশ কৰিছে, আলোচনা কৰাঁ।

৩। (ক) 'ইয়াৰুইঙ্গম' উপন্যাসত গান্ধীবাদী দৰ্শন আৰু সশস্ত্ৰ আন্দোলনৰ মাজৰ দ্বন্দ্ব কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) 'মনোমতী' উপন্যাসৰ নাৰী চৰিত্ৰকেইটিৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাঁ।

৪। (ক) 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাৰ বাল্যকালৰ ছবি কিদৰে অংকিত হৈছে, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) 'আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱনচৰিত'ৰ আধাৰত সমকালীন সমাজ-জীৱনৰ এটি আভাস দিয়াঁ।

৫। (ক) অসমীয়া ভ্ৰমণ কাহিনীসমূহৰ ভিতৰত হেম বৰুৱাৰ ভ্ৰমণ বিষয়ক ৰচনাসমূহে কিদৰে গুৰুত্ব লাভ কৰিছে, আলোচনা কৰাঁ। ১২

*অথবা*

(খ) 'অসমীয়া ভ্ৰমণ কাহিনী'ৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

৬। (ক) আত্ম উৎকৰ্ষমূলক সাহিত্য হিচাপে হোমেন বৰগোহাঞিৰ 'জীৱনৰ জয়গান' নামৰ ৰচনাখনিৰ গুৰুত্ব বিচাৰ কৰাঁ। ১৫

*অথবা*

(খ) গঁড় বচোৱাৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক ব্যৱস্থাৰ প্ৰয়োগ কেনেদৰে কৰিব পাৰি তোমাৰ পাঠ্য পাঠৰ আধাৰত আলোচনা কৰাঁ।

★★★